601 = Paper

B = (2)



# Non Foremal Education (অনানুষ্ঠানিক শিক্ষা)

## (2) Schemes of non-foremal education.

অনানুষ্ঠানিক শিক্ষা মানে হৈছে বিশেষ লৰা - ছোৱালীয়ে বিদ্যালয় শিক্ষা গ্ৰহণ নকৰিলে তেনেলোকসকলৰ বাবে যি শিক্ষা আগবঢ়োৱা হয় তাকে অনানুষ্ঠানিক শিক্ষা বুলি কোৱা হয়। এই শিক্ষাৰ আৰম্ভণি ১৯৭৯ চনৰ পৰা হৈছিল। অনানুষ্ঠানিক শিক্ষাৰ লগত জড়িত হৈ থকা আঁচনিসমূহ হৈছে —

(1) অনানুষ্ঠানিক শিক্ষা অনুষ্ঠান (Non-foremal education preogream) :- ভাৰত চৰকাৰৰ আৰু প্ৰাথমিক শিক্ষা বিভাগৰ যুটীয়া সহযোগত ১৯৮৮ চনত সামাজিক জেলা কেইটাত 210 টা অনানুষ্ঠানিক শিক্ষা কেন্দ্ৰ স্থাপিত কৰিবলৈ সক্ষম হয়। এই শিক্ষা কেন্দ্ৰত ৬ বছৰৰ পৰা ১৪ বছৰৰ বয়সৰ লৰা - ছোৱালী সকলৰ বাবেহে শিক্ষা প্ৰদান কৰা হয় আৰু ইয়াৰ উপৰিও শিশু কৰ্মী শিশুৰ শ্ৰমিক সকলৰ বাবেও শিক্ষা প্ৰদানৰ ব্যৱস্থা এই অনুষ্ঠানত কৰা হৈছে।

(৫) যুৱক - যুৱতীসকলৰ জীৱিকাসকলৰ বাবে প্ৰশিক্ষণ (Youth vocational freaing) :- ১৯৮৩-৮৪ চনৰ পৰা এই প্ৰশিক্ষণ অনুষ্ঠানটোৰ আৰম্ভণি কৰা হৈছিল। এই অনুষ্ঠানটোৱে সমাজৰ নিম্ন জাতিৰ নিবনুৱা যুৱক আৰু যুৱতীসকলৰ বাবে মোৰা - কাটি আৰু চিলাইৰ প্ৰশিক্ষণৰ কাৰ্য্যসূচী চৰকাৰে হাতত লৈছে যাতে নিবনুৱা যুৱক - যুৱতীসকলে জীৱিকা নিৰ্বাহৰ পথ এটি উলিয়াব পাৰে। এই প্ৰশিক্ষণটো কেৱল ৩ মাহৰ বাবেহে দিয়া হয়। এই প্ৰশিক্ষণটো চতুৰ্থ শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীৰ ছাত্ৰ - ছাত্ৰীসকলক চিলাই উলগুৰ্থা, মোৰা - কাটা, ইত্যাদিৰ প্ৰশিক্ষণ দিয়া হয়।

(iii) Education Gurantee Scheme (E.G.S)

শিক্ষা নিশ্চয়তা আঁচনি :- ২০০২-০৩ চনত শিক্ষা নিশ্চয়তা আঁচনিখন আৰম্ভণি কৰিছিল। সামাজিক সেৱা দলৰ অনুগ্ৰহত ১১ টা কেন্দ্ৰ মুকলি কৰা হৈছিল, এই আঁচনিখনৰ জৰিয়তে অনানুষ্ঠানিক শিক্ষা প্ৰদান কৰা হয় যাতে যি সকল ল'ৰা-ছোৱালীয়ে নিয়মীয়া শিক্ষা গ্ৰহণ নকৰিলে সেইসকলৰ বাবে এই আঁচনিখন মুকলি কৰা হৈছিল যাতে তেওঁলোকে বিনামূলীয়াকৈ শিক্ষা গ্ৰহণ কৰি শিক্ষিত হ'ব পাৰে।

(iv) ৰাষ্ট্ৰীয় শৈক্ষিক যোজনা আঁচনি (National Literacy Mission) :- এই আঁচনিখন ৰাষ্ট্ৰীয় চৰকাৰে ১৯৮৮ চনত মুকলি কৰিছিল, এই আঁচনিখনৰ মূল উদ্দেশ্য হৈছে ১৫ - ৩৫ বছৰ বয়সৰ লোকসকলক অনানুষ্ঠানিক শিক্ষাৰে শিক্ষিত কৰি তোলা, ইয়াৰ উপৰিও এই আঁচনিখনৰ উদ্দেশ্য কেৱল লিখা পঢ়া বা নাম চহী কৰিব পৰাকৈ শিকোৱাই নহয়, ইজনে সিজনক কোনো বিপদৰ সময়ত সহায়ৰ হাত আগবঢ়াই দিয়া ইত্যাদি, এই আঁচনিখনৰ জৰিয়তে প্ৰাপ্তবয়স্ক লোকসকলৰ বাবে শিক্ষা আহৰণ কৰাৰ নতুন পথ মুকলি কৰি দিছে যাতে সমাজৰ পৰা অশিক্ষিতৰ হাৰ হ্ৰাস কৰিব পাৰে নতুবা নাইকীয়া কৰিব পাৰে। এই আঁচনিখনৰ লগত সংগতি ৰাখি আন দুখন আঁচনি মুকলি কৰা হৈছে। সেই আঁচনি দুখন ক্ৰমে —

(a) Total literacy Campaign.

(b) Post literacy Campaigns.

## (a) Total litereacy Campaign :-

এই আঁচনিখন প্ৰাপ্তবয়স্ক লোকসকলৰ অশিক্ষিতাৰ হাৰ হ্ৰাস কৰিবৰ বাবে মুকলি কৰা হৈছিল। এই আঁচনিখন এটা উপযোগী, নিৰ্দ্ধাৰিত সময়সীমাৰ ভিতৰত এবং ফলাফলৰ ওপৰত বিবেচনা কৰিহে সম্পন্ন কৰা হয়। এই আঁচনিখনৰ জৰিয়তে প্ৰাপ্তবয়স্ক লোকসকলক সৰু সৰু গোটত ভগাই প্ৰশিক্ষণ দিয়া হয় যাতে অনানুষ্ঠানিক শিক্ষাৰ জৰিয়তে গোটবোৰে প্ৰত্যেক ব্যক্তিসকলে শিক্ষিত কৰি তুলিব পাৰি।

## (b) Post litereacy Campaign :-

এই আঁচনিখনৰ জৰিয়তে অৰ্দ্ধশিক্ষিত লোকসকলৰ বাবে শিক্ষাদানৰ পদ্ধতি নতুন ব্যৱস্থা মুকলি কৰা হৈছে, এই আঁচনিখনৰ জৰিয়তে প্ৰাপ্তবয়স্ক লোকসকলৰ বাবে, শিক্ষাদানৰ ব্যৱস্থা কৰাৰ লগতে আনুষংগিক সামগ্ৰী ব্যৱহাৰ কৰা হয়। যাতে শিক্ষা গ্ৰহণৰ পাঠ্যক্ৰমসমূহে সহজতে বুজিব পাৰে। ইয়াৰ জৰিয়তে প্ৰাপ্তবয়স্ক লোকসকলে শিক্ষিত হোৱাৰ উপৰিও সমাজখনৰ সকলো দিশতে উন্নতি পথত আগবাঢ়িবলৈ সক্ষম হ'ব পাৰে। আনহাতে এক কথাত ক'বলৈ অনানুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ জৰিয়তে ব্যক্তিৰ কল্যাণৰ লগতে সমাজখনৰো অৰ্থনৈতিক দিশতো সুচল হৈ উঠিছে। সেইবাবে বৰ্তমানেও অনানুষ্ঠানিক শিক্ষাৰ বাবে বিভিন্নধৰণৰ সেৱা আগবঢ়া হৈছে।